# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-NOV-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------------------------

১।	কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে নতুন দিল্লীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্যৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত আলোচনা।
২।	স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীৰ বাবে দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ উদ্যোগত আজি মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ শুভাৰম্ভ।
৩।	বিশিষ্ট বাঁহীবাদক দীপক শৰ্মাৰ আজি পুৱা চেন্নাইৰ চিকিৎসালয়ত দেহাৱসান।
৪।	ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাইলৈৰ পৰা ৰাস মহোৎসৱ। গাঁৱে গাঁৱে পূৰ্ণ প্ৰস্তুতি। **আৰু**
৫।	প্ৰথমবাৰলৈ ভাৰত আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ চেম্পিয়ন। দক্ষিণ আফ্ৰিকাক ৫২ ৰানত পৰাজিত কৰি খিতাপ অৰ্জন।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নিশা নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি ৰাজ্যৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ নতুন দিল্লীৰ চৰকাৰী বাসভৱনত প্ৰায় আধা ঘণ্টা সময় বৈঠকত মিলিত হোৱাৰ সময়ত মুখ্যমন্ত্ৰী ড০ শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুক কেন্দ্ৰ কৰি ৰাজ্যত উদ্ভৱ হোৱা পৰিস্থিতি, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ আদি প্ৰসংগ উত্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই বৈঠকৰ কথা সামাজিক মাধ্যমযোগে ৰাজহুৱা কৰি কয়, যে অসমৰ বিকাশৰ গতি শক্তিশালী কৰাৰ বাবে শ্ৰীশ্বাহে নিৰ্দেশনা আৰু নিৰলস চেষ্টা চলাই আহিছে। ইপিনে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি নতুন দিল্লীত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সৈতে ৰাজ্যখনত ৰে'ল সেৱা সম্প্ৰসাৰণৰ লগতে কেইবাটাও বিষয় সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ যাতায়াত ব্যৱস্থা অধিক সুশৃংখলিত কৰাৰ বাবে ৰে'ল সেৱাৰ বিভিন্ন দিশত নতুনত্বৰ পোষকতা কৰে। এই বৈঠকত অসমলৈ চলাচল কৰা তিনিখন নতুন অমৃত ভাৰত ৰে'লৰ যাত্ৰা সম্পৰ্কে আলোচনা কৰা হয়। তদুপৰি কোকৰাঝাৰৰ পৰা ভূটানৰ গেলেফুৰ মাইগুফুলনেছ চিটীলৈ নতুন ৰে'ল পথ নিৰ্মাণৰ কাম ক্ষিপ্ৰতাৰে কৰা সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰা হয়। অসমৰ মাজেৰে চলাচল কৰা গুৰুত্বপূৰ্ণ ৰে'লসমূহৰ ষ্ট'পেজৰ সংখ্যা বৃদ্ধি কৰিবলৈও মুখ্যমন্ত্ৰীয়ে ৰে'ল মন্ত্ৰীগৰাকীক অনুৰোধ জনায়। ৰে'ল মন্ত্ৰীগৰাকীয়ে এই বিষযসমূহ বিবেচনা কৰিব বুলি প্ৰতিশ্ৰুতি দিয়াৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে সদৰি কৰিছে।

উল্লেখযোগ্য যোৱা শনিবাৰে বিয়লি নতুন দিল্লীলৈ ৰাওনা হোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি বিয়লি অসমলৈ ঘূৰি অহাৰ কথা।

০০০০০০

ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি আই আই টি গুৱাহাটীত  উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা ক্লাষ্টাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। তেওঁ লগতে ভাৰ্চুৱেল ব্যৱস্থাৰে ৰাজ্যত ৬৫ খন নতুন উচ্চতৰ মাধ্যমিক বিদ্যালয় নিৰ্মাণৰ আধাৰশিলাও স্থাপন কৰে। উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা ক্লাষ্টাৰে উত্তৰ পূৰ্বাঞ্চলৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ গৱেষণা, উদ্ভাৱন আৰু দক্ষতা বিকাশৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব বুলি শ্ৰীসিন্ধিয়াই

তেওঁৰ ভাষণত উল্লেখ কৰে। তেওঁ লগতে সমগ্ৰ উত্তৰ-পূবত বিজ্ঞান মানসিকতা প্ৰসাৰৰ ক্ষেত্ৰতো এই কেন্দ্ৰই গুৰুত্বপূৰ্ণ পদক্ষেপ ল'ব বুলি মত প্ৰকাশ কৰে।

**বাইট**

শ্ৰী সিন্ধিয়াই এই অনুষ্ঠানতে আই আই টি গুৱাহাটীত প্ৰশিক্ষণ গ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয়, যে উত্তৰ-পূৰ্বাঞ্চল বিজ্ঞান আৰু প্ৰযুক্তি ক্লাষ্টাৰৰ জৰিয়তে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ গ্ৰাম্য অৰ্থনীতি আগুৱাই নিয়াৰ ক্ষেত্ৰত যথেষ্ট সহায় হ'ব। শ্ৰীসিন্ধিয়াই ইয়াৰ পাছত ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত আয়োজিত এখন সভাত অংশ লৈ ইয়াৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে ৰাজ্যৰ দুখন ঔদ্যোগিক উদ্যান আৰু উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয়ৰ অধীনত আন চাৰিটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে অসমৰ ৫৫খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰক ৪৬৫ কোটি টকা প্ৰদানৰ কথা ঘোষণা কৰে।

০০০০০০

স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীসকলক সকাহ দিয়াৰ উদ্দেশ্যে দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ উদ্যোগত আজি মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত এই উপলক্ষে আজি বিয়লি আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই আঁচনিখন মুকলি কৰিব। অনুষ্ঠানত দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকিব। এই আঁচনিৰ জৰিয়তে চাকৰিৰ সন্ধানত থকা যুৱক-যুৱতীসকলক বিভিন্ন পৰীক্ষাৰ প্ৰস্তুতি আদিৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ এবছৰলৈ প্ৰতিমাহে দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ শিক্ষানুষ্ঠান অথবা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীসকলে এই আঁচনিৰ বাবে আবেদন কৰিব পাৰিব। শিক্ষাৰ্থীসকল অসমৰ স্থায়ী বাসিন্দা হ'ব লাগিব।

০০০০০০

বিশিষ্ট বাঁহীবাদক দীপক শৰ্মাৰ আজি পুৱা চেন্নাইৰ এখন চিকিৎসালয়ত মৃত্যু হয়। অসমৰ সংগীত জগতলৈ অনবদ্য অৱদান আগবঢ়োৱা বাঁহীবাদকগৰাকী দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকাৰ পাছত তেওঁক উন্নত চিকিৎসাৰ বাবে চেন্নাইলৈ নিয়া হৈছিল। শেহতীয়াকৈ শিল্পীগৰাকীৰ স্বাস্থ্যৰ অৱস্থা অধিক জটিল হৈ পৰাৰ পাছত আজি পুৱা ৬ বাজি ১৫ মিনিটত শিল্পীগৰাকীৰ মৃত্যু হয়।

উল্লেখযোগ্য যে নলবাৰী জিলাৰ পানীগাঁৱত জন্মগ্ৰহণ কৰা শিল্পীগৰাকীয়ে গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ লগতে কলকতাৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা ইনষ্ট্ৰুমেণ্টেল মিউজিক বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি সংগীতৰ জগতখনত নিমজ্জিত হৈ পৰিছিল। আকাশবাণীৰ বি-হাইগ্ৰেড লাভ কৰা শিল্পীগৰাকী আকাশবাণী গুৱাহাটীৰ স্বীকৃতিপ্ৰাপ্ত সংগীত পৰিচালকো আছিল। তেওঁ কেইবাখনো অসমীয়া চিনেমাৰ সংগীত পৰিচালনাও কৰিছিল। ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতি লাভ কৰা শিল্পীগৰাকীৰ মৃত্যুত অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত শোকৰ ছাঁ পৰিছে। জনপ্ৰিয় ইংৰাজী ছবি টাইটানিকৰ **মাই হাৰ্ট উইল গ' অন** গীতটো দীপক শৰ্মাৰ বাঁহীৰ মূৰ্চ্ছনাত জীৱন্ত হৈ উঠিছিল। এই মূৰ্চ্ছনাৰে আমি তেওঁক সোঁৱৰণ কৰিছো।

**মিউজিক** .........

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাইলৈৰ পৰা ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। ইয়াৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। যোৱা এমাহজোৰা আখৰাৰ পাছত শিল্পী, কলা-কুশলীসকলে ৰাস মহোৎসৱৰ শ শ বছৰীয়া পৰম্পৰা পালনৰ বাবে সাজু হৈছে। আজি বৰ আখৰা অনুষ্ঠিত হ'ব। সত্ৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলী, লখিমপুৰ, ধেমাজি আৰু নামনি

অসমৰ হাউলী, পলাশবাৰী, টিহু, নলবাৰী, পাঠশালা, পাটাছাৰকুছি, তামুলপুৰ, মৰিগাঁৱকে ধৰি বিভিন্ন ঠাইত ৰাস উৎসৱ অনুষ্ঠিত হ'ব।

মাজুলীৰ অৰ্ধ শতাধিক ৰাস মঞ্চত আজি কলা-কুশলীসকলে বৰ আখৰা কৰিব। জিলাখনৰ উত্তৰ-কমলাবাৰী সত্ৰত ৩৫২ বছৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শংকৰদেৱৰ অমৰ সৃষ্টি কেলিগোপাল নাটৰ আধাৰত ব্ৰজাৱলী ভাষাত কাইলৈ, পৰহিলৈ আৰু অহা ৬ নৱেম্বৰত কমলাকান্ত আতা ক্ষেত্ৰত ৰাস অনুষ্ঠিত হ'ব। এই ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় আৰু উত্তৰ কমলাবাৰী শংকৰদেৱ কৃষ্টি সংঘৰ সহযোগত 'মাজুলীৰ ৰাস লীলা, পৰম্পৰা, নান্দনিকতা আৰু প্ৰত্যাহ্বান' শীৰ্ষক এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আউনীআটী, চামগুৰি, বেঙেনাআটিকে ধৰি প্ৰায়বোৰ সত্ৰতে শ্ৰীকৃষ্ণৰ ৰাসলীলা উদযাপন কৰা হ'ব। ৰাসৰ পৰিপ্ৰেক্ষিতত ৬ নৱেম্বৰত মাজুলীত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। জিলাখনত ৰাস মহোৎসৱৰ আয়োজন সন্দৰ্ভত আমাৰ সংবাদদাতা বিকাশ শইকীয়াই এইদৰে কয় –

বাইট (বিকাশ)

নলবাৰীৰ শ্ৰী শ্ৰী হৰি মন্দিৰত অহা ৫ নৱেম্বৰৰ পৰা ১৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। ৰাস মহোৎসৱৰ দ্বিতীয় দিনা অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। দৰং জিলাৰ দীঘিৰপাৰত ১১ দিনীয়াকৈ ৰাসৰ আয়োজন কৰা হৈছে। গোগামুখৰ লটাক ৰাস মঞ্চত এইবাৰ ৰাস মহোৎসৱৰ সোণালী জয়ন্তী উদযাপন কৰিব।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা সংমণ্ডল কালি পৰ্যটকৰ বাবে মুকলি কৰা হয়। বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কঁহৰা সংমণ্ডলৰ প্ৰৱেশদ্বাৰ মিহিমুখত আনুষ্ঠানিকভাৱে সংমণ্ডলটো মুকলি কৰে। এতিয়াৰে পৰা পৰ্যটকসকলে জীপ আৰু হাতী চাফাৰি কৰি উদ্যানখনৰ সৌন্দৰ্য্য উপভোগ কৰিব পাৰিব।

ৰাষ্ট্ৰীয় উদ্যানখনৰ বাগৰি, বুঢ়াপাহাৰ আৰু অগৰাতলি বনাঞ্চলৰ কিছু অংশ ইতিমধ্যে পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হৈছে। সম্প্ৰতি কঁহৰা বনাঞ্চলৰ মিহিমুখৰ পৰা দাফলাং হৈ বৰুণটিকালৈ পৰ্যটকে জীপ চাফাৰি কৰিব পাৰিব। বন মন্ত্ৰীগৰাকীয়ে কঁহৰা বনাঞ্চল মুকলি কৰি এইবাৰ উদ্যানখনলৈ আৰু অধিক পৰ্যটকৰ আগমন হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল স্প'ৰ্টছ একাডেমীত যোৱা নিশা অনুষ্ঠিত আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতে দক্ষিণ আফ্ৰিকাক ৫২ ৰানত পৰাজিত কৰি মহিলা বিশ্বকাপত প্ৰথমটো খিতাপ জয় কৰে। দক্ষিণ আফ্ৰিকাই ২৯৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৫ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৪৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। লওৰা উলভাৰ্টে সৰ্বাধিক ১০১ ৰান কৰে। ভাৰতৰ দিপ্তী শৰ্মাই ৫টা আৰু শেফালী বাৰ্মাই দুটা উইকেট দখল কৰে। বৰষুণৰ বাবে প্ৰায় দুঘণ্টা পলমকৈ আৰম্ভ হোৱা খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৭ উইকেটৰ বিনিময়ত ২৯৮ ৰান সংগ্ৰহ কৰে। শেফালী বাৰ্মাই সৰ্বাধিক ৮৭ আৰু দিপ্তী শৰ্মাই ৫৮ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ আয়াবোংগা খাকাই তিনিটা উইকেট লাভ কৰে। শেফালী বাৰ্মাক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। বিশ্বকাপ জয়ী দলটোৰ অন্যতম সদস্য আছিল অসমৰ উমা চেত্ৰীও।

উল্লেখযোগ্য যে ভাৰতে ইয়াৰ পূৰ্বে ২০০৫ আৰু ২০১৭ চনত অনুষ্ঠিত বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিছিল।

০০০০০০

ওদালগুৰি জিলাৰ ৰৌতা নিবাসী জ্যেষ্ঠ সাংবাদিক পৱন হাজৰিকাৰ কালি সন্ধিয়া নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৭ বছৰ। জ্যেষ্ঠ সাংবাদিকগৰাকী সাদিনীয়া জনসংবাদ কাকতৰ সম্পাদক আছিল। তেওঁৰ মৃত্যুত বড়োলেণ্ড সাংবাদিক সন্থা, টংলা প্রেছ ক্লাব, ওদালগুৰি প্রেছ ক্লাবকে ধৰি বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০

মৰিগাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা মৰিগাঁও জিলা সাংবাদিক সন্থাৰ প্ৰতিষ্ঠাপক সম্পাদক ড° নৰকান্ত বৰদলৈৰ আজি পুৱা নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৫ বছৰ। অসমৰ প্ৰায় সকলো ইংৰাজী আৰু অসমীয়া বাতৰি কাকতত প্ৰায় পাঁচ দশক ধৰি সাংবাদিকতা কৰা বৰদলৈয়ে ১২ খন গ্ৰন্থ ৰচনা কৰিছিল।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশ পোৱা দৈনিক কাকতসমূহত ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই মহাকাশত উৎক্ষেপন কৰা সবাতোকৈ গধুৰ কৃত্ৰিম উপগ্ৰহ, পৰ্যটকৰ বাবে মুকলি কাজিৰঙাৰ কেন্দ্ৰীয় বনাঞ্চলৰ কঁহৰা, অসমত অমৃত ভাৰত ৰে'ল প্ৰৱৰ্তনৰ ঘোষণা ৰে'ল মন্ত্ৰীৰ – আদি বাতৰিয়ে স্থান লাভ কৰিছে।

অসমৰ ৰে'ল খণ্ডৰ সামগ্ৰিক উন্নয়ন আৰু সম্প্ৰসাৰণৰ বাট মুকলি কৰি কেন্দ্ৰীয় চৰকাৰে তিনিখনকৈ নতুন ৰে'ল প্ৰৱৰ্তনৰ ঘোষণা কৰিছে। এই বাতৰি **দি আছাম ট্ৰিবিউন** আৰু **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে। বীৰ লাচিত সেনাৰ বহিস্কৃত নেতা বিকাশ অসমৰ বিৰুদ্ধে তদন্ত কৰি আৰক্ষীয়ে বহু বিস্ফোৰক তথ্য লাভ কৰিছে। **অসমীয়া প্ৰতিদিন, দৈনিক অগ্ৰদূত, অসমীয়া খবৰ** আৰু **আমাৰ অসম** কাকতে এই বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ইতিহাস গঢ়ি এদিনীয়া মহিলা বিশ্বকাপত ভাৰতীয় দল চেম্পিয়ন হোৱাৰ বাতৰিটো **দৈনিক অসম** আৰু **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তত যোৱা সাদিনত মানুহ আৰু হাতীৰ সংঘাতৰ ফলত তিনিটাকৈ হাতীৰ কৰুণ মৃত্যু হয়। এই বাতৰি **দা ছেণ্টিনেল** কাকতে 'THREEE ELEPHANTS DIE IN A WEEK' শিৰোণামেৰে প্ৰকাশ কৰিছে। এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মেঘালয়, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা আৰু নাগালেণ্ডৰ বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত